بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ نَحْمَدُهٗ وَنُصَلِّي عَلٰى رَسُوْلِهِ الْكَرِيْمِ وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ৮ ছেপ্তেম্বৰত মছজিদ বায়তুল ফুতুহ, মৌৰডন, লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

মজলিচ শ্বোৰায় যেতিয়া কোনো পৰিকল্পনা হাতত লয় ,আৰু সেয়া সৰ্ব সন্মতি ক্ৰমে অনামদিত কৰা হয়, তাৰ পিছত কাৰ্য্য কৰি কৰাৰ বাবে কাৰ্য্য বধী প্ৰস্তত কৰি খলীফা ওয়াক্তৰ ওচৰত অনুমোদনৰ বাবে পঠোৱা হয়। যেতিয়া সেয়ে মঞ্জুৰি হৈ যায় তেতিয়া তাৰ ওপৰত আমি নিজৰ সকলো শক্তি আৰু দক্ষতাৰে আমল কৰা আৰু কৰোৱা মজলিচ শ্বোৰাৰ সদস্য সকলৰ দায়িত্ব আৰু প্ৰত্যক শ্ৰেণীৰ জমাতী পদবীধাৰী সকলৰ দায়িত্ব ।

তাশ্বাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আঃ) য়ে তলত উল্লেখিত আয়াত পাঠ কৰে

اُدْعُ اِلٰى سَبِيْلِ رَبِّكَ بِالْحِكْمَةِ وَالْمَوْعِظَةِ الْحَسَنَةِ وَجَادِلْهُمْ بِالَّتِيْ هِيَ اَحْسَنُ ؕ

اِنَّ رَبَّكَ هُوَ اَعْلَمُ بِمَنْ ضَلَّ عَنْ سَبِيْلِهٖ وَهُوَ اَعْلَمُ بِالْمُهْتَدِيْنَ (ছুৰা নহল :১২৬)

তৰজমা:- প্ৰাজ্ঞতা আৰু উত্তম উপদেশৰ হতুৰাই তোমাৰ পালন কৰ্ত্তাৰ বাটলৈ (সকলোকে) আহ্বন কৰাঁ ; আৰু যদি সিহঁতৰ সৈতে তৰ্ক কৰিব লগিয়া হয় তেন্তে এনেদৰে তৰ্ক কৰিবা ,যি অতি উত্তম। যি তাৰ পথ এৰি বিপথে যায় ; তাক তোমাৰ প্ৰভুৱে ভালকৈ জানে। আৰু সি সেই সকলক ভালদৰে জানে যি সকলে হিদায়েত আৰু সজ বাট প্ৰাপ্ত।পৃথিৱীৰ কেইবাখন দেশত মজলিচে শ্বোৰাত এই প্ৰস্তাৰ উস্থাপিত কৰা হয় লগত কাৰ্য্যবিধি দাখিল কৰা হয় যে আমি কেনেকৈ ইছলামৰ প্ৰকৃত বাৰ্তা নিজৰ নিজৰ দেশত প্ৰত্যেক শ্ৰেণীৰ লোকৰ মাজত প্ৰচাৰ কৰাৰ কাম বঢ়াই তুলিব পাৰিম অথবা উত্তম ভাৱে ইয়াৰ ভিক্তি ৰচনা কৰিব পাৰিম। হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে এয়া মনত ৰখা উচিত যে তবলিগৰ কাম সম্পৰ্কেই কোনো পৰিকল্পনা হওঁক অথবা বেলেগ কোনো পৰিকল্পনাই হওঁক মজলিচে শ্বোৰায় যেতিয়া সেয়া অনুমোদন কৰি লয় তেতিয়া সেয়া সৰ্বসন্মতি ক্ৰমে অনুমোদিত বুলি গৃহীত হয়। তেতিয়া তাৰ ওপৰত আমল কৰা আৰু বেলেগক আমল কৰোৱাটো মজলিচে শ্বোৰাৰ প্ৰত্যকে সদস্য আৰু সকলো শ্ৰেণীৰ পদবীদাৰ সকলে পূৰ্ণ চেষ্টা কৰা উচিত । এয়া ঠাৰৰ কৰা ঠিক নহয় যে এই প্ৰস্তাৰ তবলিগ সম্পৰ্কে। গতিকে চেক্ৰেটাৰী তবলিগেই কাম কৰিব। এনেদৰে অন্যান্য বিভাগৰ কামৰ বেলিকাও সেই বিভাগৰ চেক্ৰেটাৰী দায়িত্ব লব লাগিব। দৰাচলতে বিভাগীয় কামৰ বেলিকাত সেয়া কাৰ্য্যকৰী কৰা বা কৰোৱাটো চেক্ৰেটাৰীৰ দায়িত্ব। কিন্তু বিশেষকৈ তবলিগ আৰু তৰবিয়ত বিভাগটো এনেকুৱা যে প্ৰত্যেক শ্ৰেনীৰ বা বিভাগৰ পদবীদাৰ অৰ্ন্তভূক্ত হৈ নিজৰ আদৰ্শ প্ৰদৰ্শন কৰাটো প্ৰয়োজনীয়। যিহেতু মই এতিয়া তবলিগ সম্পৰ্কে আলোচনা কৰিবলৈ আগবঢ়াছো সেই বাবে মই সকলো পদাধিকাৰী সকলক জনাব বিচাৰো যে তেওঁলোকে নিজৰ নিজৰ চেক্ৰেটাৰী তবলিগৰ সৈতে, এই প্ৰস্তাৰ জমাতত আমল কৰিবলৈ তেওঁলোক নিজৰ সম্পূৰ্ণ সহায় সহানুভুতি আগবঢ়াব লাগিব। নিজেও তাত অংশ গ্ৰহন কৰি জমাতৰ সদস্য বৃন্দৰ সন্মুখত এটা আদৰ্শ স্থাপন কৰিব লাগিব। যিকোনো পদাধিকাৰীয়ে কোনো নহয় কোনো পদ্ধতিৰে তবলিগত অংশ লব পাৰে। যদি পদবীধাৰী সকলে অংশ লৈছে তেন্তে সেয়া জমাতৰ আগত এটা আদৰ্শ স্বৰূপ হৈ পৰিছে। বহুতো আহমদী এনেকুৱা আছে কোৱা মেলা নকৰাকৈ, এই আদৰ্শ লক্ষ্য কৰি এই কাৰ্যবিধি পূৰ্ণ কৰিবলৈ ইছলামৰ প্ৰকৃত বাৰ্তা প্ৰচাৰত চেষ্টাত ব্ৰতী হৈ পৰিব। কিছুমান চেক্ৰেটাৰী আছে যি সকলৰ সাধাৰণতে বিভাগীয় কাম কাজ কম, তেওঁলোকেও সময় দিব পাৰে কেৱল নিয়তৰ প্ৰয়োজন। যিয়েই নহওঁক ন্যাশ্বনেল চেক্ৰেটাৰী তবলিগৰ কাম হ'ল; যি কাৰ্য্যবিধি বনোৱা হয় সেয়া সকলো স্থানীয় জমাতৰ চেক্ৰেটাৰী তবলিগলৈ পঠাব লাগিব। লগতে এয়া নিশ্চিত ভাৱে জমাতৰ সকলো সদস্য লৈ কাৰ্য্যসুচীৰ সেই অংশ যিখিনি ব্যক্তিবৰ্গৰ সৈতে সম্পৰ্কিত, পঠাব লাগিব।

আল্লাহ্ তাযলা ওপৰত উল্লেখিত আয়াতত আমাৰ বাবে যি পথ নির্দেশ কৰিছে সেই অনুসাৰে চেক্রেটাৰী তবলিগ আৰু বেলেগ পদবীদাৰ সকলেও আমল কৰক। আল্লাহ্ তাযলা যি বিষয়টোলৈ মনযোগ আকর্ষঋঋণ কৰিছে তাত প্রথম হ'ল বিবেক (বুদ্ধীমত্তা) দ্বিতীয় হ'ল সুন্দৰ নচিহত। আকৌ কৈছে তর্ক আলোচনাত এনেকুৱা প্রমান আদি ব্যাৱহাৰ কৰা যি অতিকৈ সুন্দৰ। আজি কালি নামধাৰী উলামা সকলে আৰু আতংকবাদী সকলে আৰু বিভিন্ন সংগঠন বিলাকে নিজৰ পাগলামী আৰু বিবেকহীনতা আৰু দলিল প্রমাণহীন কথাৰে ইছলামক এনেকুৱা কলঙ্কিত (বদনামী) কৰিছে যে অ-মুছলিম সকলে ভাৱে যে ইছলাম হ'ল যুক্তি বিৰুধী প্রমানহীন ধর্ম। এয়া হ'ল বিবেকহীন আৰু নির্বোধৰ ধর্ম। (নাউযুবিল্লাহ) অত্যাচাৰ, উৎপীড়ন কৰা হ'ল এই ধর্মৰ শিক্ষা নীতি। এনে অৱস্থাত আল্লাহ্ তায়লাৰ উক্ত নির্দেশ অনুসৰি তবলিগৰ কাম চলাই যোৱাটো প্রত্যেক আহমদীৰ বাবে গুৰুত্বপূর্ণ দায়িত্ব।

গতিকে এনে অৱস্থাত আমি অনুমান কৰিব পাৰিব লাগিব যে কিমানদুৰ পৰিশ্রম কৰি আমি আল্লাহ্ তায়লাৰ নির্দেশ অনুসৰি তবলিগ কৰিব লাগিব। আল্লাহ্ প্রথমে যি কথাটো বর্ণনা কৰিছে সেয়া হ'ল বুদ্ধিমত্তাৰ সৈতে তবলিগ কৰা। এই বুদ্ধিমত্তা কি বস্তু? বিবেক (বুদ্ধিমত্তা) ৰ এটা বহল অর্থ আছে। এই হিকমত শব্দৰ আন এটা অর্থ হ'ল বিদ্যা (পাণ্ডিত্য) তবলিগ কৰিবলৈ পাণ্ডিত্যৰ প্রয়োজন আছে। কিছুমানে কয় যে আমাৰ বিদ্যা শিক্ষা নাই সেয়ে আমি তবলিগ কৰিব নোৱাৰো। বর্তমান যুগত এই অজুহাত আপত্তিয়ে মুল্য নাৰাখে কাৰণ হজৰত মছিহ মাওউদ (আঃ) য়ে এনেকুৱা দলিল প্রমাণ লিপিবদ্ধ কৰিছে আৰু সেয়া জমাতি লিটাৰেচাৰৰ জৰিয়তে যোগান ধৰিছে যে অতি সহজেই পৰিমেয় শিক্ষা আহৰণ কৰিব পাৰি। গতিকে এফালে নিজৰ পাণ্ডিত্য বঢ়োৱাৰ প্রয়োজন আছে আন ফালে জানিব লাগিব যে আমাৰ লিটাৰেচাৰ আৰু ৱেবচাইটৰ কোন ঠাইত উত্তৰ আৰু প্রমাণ আদি দিয়া আছে। বিভিন্ন ধর্মৰ সৈতে সম্পর্ক ৰাখোতা আৰু খোদা তায়লাৰ অস্তিত্ব অস্বীকাৰ কৰোঁতা সকলৰ চিন্তা ধাৰা অনুযায়ী আৰু ধাৰণা অনুযায়ী আৰু প্রমাণ আদি অনুযায়ী আমি প্রমাণ আদি আগবঢ়াব লাগিব।

আকৌ হিকমত বুদ্ধি মত্তাৰ অর্থ এয়াও যে কথা, দলিল এটা শুদ্ধ সাব্যস্ত কৰিবলৈ অইন এটা দলিল দিব লাগে। গতিকে দীঘলীয়া তর্ক আলোচনাৰ সলনি আপত্তি চাই স্পষ্ট দলিলেৰে নিষ্পত্তি কৰাৰ চেষ্টা কৰিব লাগে। এয়াও তবলিগ বিভাগৰ কাম যে নিজৰ অৱস্থা চাই সকলো অভিযোগ আপত্তি বাতিল কৰিবলৈ প্রমাণ আদি গোটাই এঠাইত জমা কৰি জমাতক যোগান ধৰিব লাগে যাতে বেছি বেছি লোক সকল, শিক্ষা আৰু স্পষ্ট দলিল সেই অভিযোগ বাতিল কৰিবলৈ ব্যাৱহাৰ কৰিব পাৰে।

আকৌ হিকমত (বুদ্ধিমত্তা) ৰ আন এটা অর্থ হ'ল নির্নয়কৰণ অর্থাৎ কোনো অভিযোগ এনেকুৱা হ'ব নালাগে যে সেয়া ওলটি নিজৰ ওপৰতে পৰে। আল্লাহ্ তায়লাৰ কৃপাত জমাত আহমদীয়াৰ মাজত এনে পৰিস্থিতি ঘটা নাই। কিন্তু বেলেগ মুছলমান অথবা অইন ধর্মৰ লোকৰ এনে পৰিস্থিতি ঘটা দেখিবলৈ পোৱা যায়। আমাৰ বিৰুদ্ধবাদী মুছলমান সকলে হজৰত মছীহ মাওউদ (আঃ) ৰ ওপৰত অভিযোগ উত্থাপন কৰে, সেই অভিযোগ পোনপটীয়াকৈ বাকী আম্বিয়া সকলৰ ওপৰতও পৰে। গতিকে এই বিষয়ে তবলিগ বিভাগে এনেকুৱা আপত্তি আৰু তাৰ উত্তৰ জমা কৰি জমাতক দিব লাগে। যদি বেছি বেছি লোকক তবলিগৰ কামত লগাবলৈ ইচ্ছা আছে তেন্তে এই কাম খিনি খৰচ হলেও কৰিব লাগিব। আন হাতে কোমল আৰু নম্র আচৰণও এটা বুদ্ধিমত্তাৰ অর্থ। ক্রোধ আৰু উচ্চঃস্বৰে কথা কলে লোকলৈ তাৰ বিপৰীত প্রভাৱ পৰে আৰু লোকে ভাৱে যে দলিল প্রমাণ নাই ভাৱে খঙৰে উত্তৰ দি আছে। বৰং যিজনে ক্রোধ প্রদর্শন কৰে তাৰ সৈতে বিনম্র ভাৱে কথা পাতিব লাগে।

আকৌ হিকমতৰ আন এটা অর্থ নবুয়তও বুজায়। গতিকে এই বিষয়ে তর্ক আলোচনাৰ সময়ত আমি কোৰ'আন কৰিমৰ পৰা প্রমাণ আৰু আঁহজৰত (ছাঃ) ৰ শিক্ষা অনুযায়ী তবলিগ কৰিব লাগিব। মই দেখিছো যে যেতিয়া কোৰ'আন কৰিমৰ আয়াতৰ আলোকত কথা তুলি ধৰা হয় তেতিয়া তেওঁলোকৰ ওপৰত ভালেখিনি প্রভাৱ পৰে।

আকৌ ইয়াৰ আন এটা অর্থ হ'ল, অজ্ঞতাৰ পৰা আঁতৰাই অনা। গতিকে এনেকুৱা পদ্ধতিৰে কথা পাতিব লাগে যাতে বেলেগে অতি সহজে বুজি পায়। আঁহজৰত (ছাঃ) য়ে কৈছে যে; লোকৰ জ্ঞান আৰু বোধশক্তি অনুমান কৰি কথা পাতিবা। ইয়াৰ এয়াও অর্থ যে হ'ক অনুযায়ী যোগ্য কথা কোৱা উচিত সদায় সচাঁ আৰু সময়সাপেক্ষে কথা কোৱা উচিত। এয়া যেন কেতিয়াও নহয় যে বেলেগক মুগ্ধ কৰিবলৈ হ'ক আৰু সময়ক নেওচি কথা কবলৈ ধৰে। কাৰণ এনেকুৱা কথায় বেয়া প্রভাৱ পেলায় আৰু কেতিয়াবা গৈ আচল কথা ওলাই পৰে। গতিকে সদায় সচাঁ আৰু হ'ক অনুযায়ী কথা পাতিব লাগে।

আকৌ পৰিৱেশ আৰু পৰিস্থিতি অনুসৰি কথা কোৱা এটা বুদ্ধিমত্তা (হিকমত)। যেনেকৈ যদি দেখা গ'ল যে এই দলিল প্ৰমাণ আগবঢ়ালে বিৰুদ্ধবাদীৰ সৈতে কাজিয়া বিবাদৰ ভয় আছে তেন্তে সেয়া বাদ দিয়া উচিত। সেই ঠাইত এনে দলিল প্ৰমাণ সহ কথা কোৱা উচিত যিটো পৰিৱেশ পৰিস্থিতি অনুযায়ী হয় আৰু দুৰত্ব বঢ়োৱাৰ সলনি ওচৰলৈ আকৰ্ষিত কৰাৰ কাৰণ যেন হয়।

পৰিৱেশ পৰিস্থিতি আৰু মানুহৰ মনোবৃত্তি বুজি পোৱাটো তবলিগৰ বাবে জৰুৰী। সেয়ে মানুহৰ লগত সম্পৰ্ক গঢ়ি তুলিলে হে তাৰ মনোবৃদ্ধিৰ পৰিচয় পোৱা যায়। গতিকে আমি তবলিগৰ ক্ষেত্ৰত এটা ধাৰাবাহিকতা সৃষ্টিৰ প্ৰয়োজন আছে। এয়া হ'ব নালাগে যে বছৰত এবাৰ অথবা সপ্তাহ মান তবলিগ চলাই, বাটতে থিয় হৈ কেইটামান লিফলেটচ, লিটাৰেচাৰ বিতৰণ কৰি ভাৱি লোৱা হয় যে তবলিগৰ হ'ক আদায় হৈছে। সুন্দৰ মিঠা মাতেৰে তবলিগ কৰাৰ যি নিৰ্দেশ আছে সেয়া বুদ্ধিমত্তাৰ সৈতে কামত লগাই অৰ্থাৎ কোমল আৰু হৃদয়ত আঁচ বহুৱাৰ পৰা মিঠা কথাৰে তবলিগ কৰিব লাগে ।

হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে - আল্লাহ তায়লা তবলিগৰ বাবে যি নিৰ্দেশ দিছে সেই অনুযায়ী চলা আমালোকৰ কাম আৰু সেয়া স্থায়ী হিচাপে চলাই যোৱাটো আমাৰ কাম। আল্লাহ তায়লা কৈছে যে কোনে পথ ভ্ৰষ্ট হৈ ফুৰিব আৰু কোনে হিদায়েত প্ৰাপ্ত হব সেয়া আল্লাহ তায়লাহে জানে। আন এঠাইত উল্লেখ কৰিছে যে তোমালোকে বলেৰে কাকো হিদায়েত দিব নোৱাৰা। তোমালোকৰ কাম হল তবলিগ কৰা, সংবাদ দিয়া আৰু পয়গামে হক প্ৰত্যেকলৈ পঠাই দিয়া। ইছলামৰ শিক্ষা আৰু মনোৰম শিক্ষা আনলৈ প্ৰকাশ কৰি যোৱা। গতিকে আমি ফলাফলৰ বাবে দায়বদ্ধ নহয়। আমালোকক সুধিলে তাৰ উত্তৰ হ'ব যে আমি বাৰ্তা পৌঁছাই দিছো। কোনে হিদায়েত পাব আৰু কোনে হিদায়েত নেপাব সেয়া আল্লাহ তায়লা জানে।

হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে হজৰত মছিহ মাওউদ (আঃ) য়ে ওপৰৰ আয়াতৰ ব্যাখ্যাত কৈছে যে - খোদা তায়লা জানে যে কেতিয়াও মই উত্তৰ দিয়াৰ সময়ত কোমলতা, স্থিৰতা, এৰি দিয়া নাই। মাজে সময়ে বিৰুদ্ধ বাদী সকলৰ কঠৰ আৰু মতানৈক্য পূৰ্ণ লিখনি চাই সামান্য কঠোৰতা অৱলম্বন কৰিছো যাতে আমাৰ যাতিয়ে এনে ধৰণৰ প্ৰতিফল পাই আগলৈ আবেগৰ বশতী নহয়। এই কঠোৰতা কোনো প্ৰবৃত্তিৰ আবেগত অবলম্বন কৰা হোৱা নাই বৰং এই আয়াত جادلهم بالتي هي احسن ৰ ওপৰত আমল কৰি বুদ্ধিমত্তাৰ ব্যাৱহাৰ হিচাপে ব্যাৱহাৰ কৰা হৈছে। আজি কালি বিৰুদ্ধবাদি সকলে কৰা ঘৃনা তাচ্ছিল্য , অপথান আদি অতি কৈ বাঢ়ি গৈছে। আমাৰ প্ৰিয় নবী (ছাঃ) ৰ প্ৰতিও এওঁ লোকে বেয়া ভাষা পয়োগ কৰিবলৈ লৈছে, ইমানেই যে সিহঁতে শান্তি বিনষ্ট কৰিবলৈ লৈছে ,সেয়ে মই এই বুদ্ধিমত্তাৰ ওপৰত আমল কৰিছো। তেখেত (আঃ) য়ে কৈছে যে; جادلهم بالتي هي احسنَ ৰ গুঢ়াৰ্থ এয়া যে আমি ইমানেই কোমল হওঁ যে আচল কথা লুকাই বিৰুধী কথা এটা স্বীকাৰ কৰি লওঁ। আমি এনে লোকক, যি সকলে খোদা দাবী কৰি ৰছুলুল্লাহ (ছাঃ) ক মিছলীয়া বুলি আৰু মুছা (আঃ) ক ডকাইত বুলি উল্লেখ কৰে, সাধু পুৰুষ বুলি কব পাৰোনে? কিয় এনেকুৱা কৰাটো সুন্দৰ তৰ্ক বিবাদ হয়নে? কেতিয়াও নহয় বৰং এয়া মুনাফিকৰ চলন আৰু বেইমানীৰ এটা অংশ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে ৰাজনৈতিক নেতা সকলৰ উদাহৰণ দি কয় যে; যদি এই দুনীয়াদাৰ লোক সকল, যি সকলৰ ধৰ্ম সেই আচল অৱস্থাত নাই তথাপি ধৰ্মৰ বাবে জাগতিক বিষয় আদি কোৰবাণী কৰি আছে আৰু কোনো ধৰণৰ দুৰ্বলতা প্ৰদৰ্শন কৰা নাই, সেই ক্ষেত্ৰত আমি চিৰস্থায়ী চৰিয়তৰ মান্যকাৰী হিচাপে কিমানদুৰ দৃঢ় ঈমান ৰখা উচিত। জাগতিক বিষয় আদিত আৰু তবলিগৰ ক্ষেত্ৰত বুদ্ধিমত্তাৰ সৈতে স্পষ্ট দলিল প্ৰমানেৰে বিৰুধী কথাবোৰ বাতিল কৰা উচিত। জাগতিক লাভালাভৰ বাবে এই বিষয়ে ভয় কৰা উচিত নহয় অথবা সিহঁতৰ লগত মত মিলাব নেলাগে। যদি বুদ্ধিমত্তাৰ সৈতে কথা পাতিব পৰা যায় তেন্তে কাৰো লগত কোনো ধৰণৰ সম্পৰ্ক ছিন্ন নহয়। মই দেখিবলৈ পাইছো যে মাজে সময়ে পদবী ধাৰী সকলে ভীৰুতাৰ পৰিচয় দিয়ে। দৰাচলতে বিৰুধীতাক ভ্ৰুক্ষেপ কৰিব নেলাগে। বিৰুধীতাই তবলিগৰ বাট উন্মোচন কৰে। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; যিমান বেগেৰে জড়তাই হ'ক প্ৰবাহত বিৰুধীতা কৰিব সিমানেই সত্যই শক্তি সঞ্চাৰ কৰিব। এয়া হ'ল এটা ঐশি নিদৰ্শন যিমান প্ৰবলতাৰে বিৰুধীতা হ'ব সত্য সিমানেই জিলিকি উঠিব আৰু নিজৰ গৰিমা প্ৰদৰ্শন কৰিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে; বিৰুধীতা আৰু জগতবাসীলৈ কোনো ভয় কৰিব নালাগে। কিন্তু বুদ্ধিমত্তা অতি

প্ৰয়োজনীয় বস্তু। তবলিগৰ ক্ষেত্ৰত এয়া প্ৰয়োজনীয় যে মানুহৰ কথা অনুযায়ী কাম সম্পাদন হ'ব লাগিব। যেতিয়া কথা আৰু কাম একে হ'ব তেতিয়াহে বিবেক, বুদ্ধিমত্তাৰ কথা মুখেৰে ওলাব আৰু লোকত প্ৰভাৱ বিস্তাৰ কৰিব। হজৰত মছিহ মাওউদ (আঃ) য়ে এই সংক্ৰান্তে উল্লেখ কৰিছে যে, বহুত মৌলবী, উলামা সকলে মঞ্চত থিয় হৈ নিজকে নায়েবে ৰছুল আৰু আম্বিয়া সকলৰ উত্তৰাধিকাৰী স্বৰূপ উল্লেখ কৰি লোকলৈ ভাষণ দিয়ে। তেওঁলোকে কয় অহংকাৰ নকৰিবা, বেয়াৰ পৰা দুৰত থাকিবা কিন্তু সিহঁতৰ যিটো কাৰুকাৰ্য্য, যি তেওঁলোকে নিজে কৰে, যদি সেয়া অনুমান কৰিব পাৰা তেন্তে সিহঁতৰ কথাৰ প্ৰভাৱ হৃদয়ত ক'ত পৰিব। যদি এনে বিধৰ লোক সকলে কাৰ্য্যত: কৰি দেখুৱাৰ শক্তি ৰাখে আৰু কোৱাৰ আগতে কৰি দেখৱায় তেন্তে কোৰ'আন কৰিমত لم تقولون ما لا تفعلون। কোৱাৰ প্ৰয়োজন নাছিল। এই আয়াতে প্ৰমাণ কৰে যে জগতত মুখেৰে কৈ পেলাই সেয়া কাৰ্য্যত: নকৰা লোক আছে, আছিল, আৰু থাকিব। উল্লেখ কৰে যে; মোৰ কথা শুনি ৰাখিবা আৰু মনত পেলাবা যে যদি মানুহে সত্য হৃদয়েৰে কথা নাপাতে আৰু আমল কৰাৰ শক্তি তাৰ মাজত নাথাকে তেন্তে তেওঁ কোনো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। ইয়াৰ দ্বাৰাই আমাৰ নবী (ছাঃ) ৰ সত্যতা প্ৰমাণিত হৈছে কাৰণ যি কৃতকাৰ্য্যতা আৰু প্ৰভাৱশালী হৃদয় তেখেতৰ অংশত আহিছিল তাৰ উদাহৰণ বণি আদমৰ ইতিহাসত পাবলৈ নাই। এইবোৰ সংগঠিত হোৱাৰ একমাত্ৰ কাৰণ আছিল তেখেত (ছাঃ) ৰ কথা আৰু কাৰ্য্য সম্পূৰ্ণ ৰূপে একে আছিল।

আকৌ তেখেত (আঃ) য়ে কৈছে যে; মোমিন সকল দুৰঙীয়া হ'ব নালাগে। সদায় কথা আৰু কাৰ্য্য শুদ্ধ ৰখা উচিত যেনেকৈ চাহাবা সকলে নিজৰ জীৱনত দেখুৱাইছে। তোমালোকেও তেওঁলোকৰ পদাংক অনুসৰণ কৰি সত্যতা আৰু আনুগত্যৰ আদৰ্শ দেখুৱা। ইছলামৰ ৰক্ষণা বেক্ষণ আৰু সত্যতা প্ৰকাশ কৰিবলৈ তোমালোকে সচাঁ মুছলমানৰ আদৰ্শ স্থাপন কৰি দেখুৱা আৰু ইছলামৰ গুণাৱলী আৰু সম্পূৰ্ণতা পৃথিৱীত প্ৰচাৰ কৰা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; তবলিগৰ বাবেও নিজৰ মাজত পাক পৰিবৰ্ত্তন আনিব লাগিব। প্ৰকৃত মুছলমানৰ প্ৰতিচ্ছবি যেতিয়া মানুহে ধাৰণ কৰে তেতিয়া এয়া প্ৰশ্নই নুঠে যে মনযোগ আকৰ্ষিত নহয়। এনেদৰেই নিয়মিত তবলিগ কৰিলেই বা কৰাৰ আগতেই তবলিগৰ বাট মুকলি হয়। আল্লাহ তায়লা আমাক সেই অনুযায়ী আমল কৰাৰ তৌফিক দান কৰক। আমিন

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 8 September 2017**

**BOOK POST (PRINTED MATTER)**

**To**

-----------------------------------------------------------------------------------------

-----------------------------------------------------------------------------------------

-----------------------------------------------------------------------------------------

-----------------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**